# সুখ

আনন্দ চন্দ্ৰ আগৰৱালা

সুখ সুখ বুলি মানুহ বলিয়া
নেদেখে সুখৰ মুখ;
সুখ বিচাৰোঁতে পায় সংসাৰত
দুখৰ উপৰি দুখ।
দেখিও নেদেখা কিয় দিন-কণা,
সুখ যে হাততে আছে;
যিয়ে দিব পাৰে স্বাৰ্থ বলিদান,
সুখ ফুৰে পাছে পাছে।
অকল নিজৰ নিমিত্তে নহয়
আমাৰ জীৱন ভাই,
পৰৰ কাৰণে খাটিব পাৰিলে,
সংসাৰ সুখৰ ঠাই।
পৰৰ অভাৱ পৰৰ দুখত,
হিয়া যদি পমি যায়,
পৰক আপোন কৰিব পাৰিলে,
সংসাৰত দুখ নাই।
শক্তি-সামৰথ পৰৰ সুখত
বিলাব পাৰিলে ভাই,

পৰৰ কাৰণে কান্দিব জানিলে
কান্দোনতো সুখ পায়।
সকলো আপোন যত নৰ-নাৰী
কাকনো বুলিম পৰ?
পৰম পিতাৰ সকলো সন্তান
পৃথিৱী আমাৰ ঘৰ।
গাই-গোটো পেটে ভঁৰাল নহবা
লোকৰ দুখলৈ চোৱা,
মানুহৰ সেৱা মানুহৰ পূজা,
পৱিত্ৰ বৰত লোৱা।
'মই' 'মোৰ' বুলি নাথাকিবা মজি
মোহৰ জালত পৰি,
'মই' 'মোৰ' ভাবে তললৈ বুৰাব
নাপাবা ৰক্ষাৰ তৰী।
সুখ দুখৰ মনেই কাৰণ
মনক ৰাখিবা থিত,
ভাগ্যত লভিবা পৰম-সন্তোষ,
সাধিবা লোকৰ হিত।
স্বাৰ্থৰ বাটত দুখৰ কাঁইট
খোজেপতি বিন্ধে হুলে,
নিস্বাৰ্থৰ বাট, - সেন্দুৰীয়া আলি,
সুগন্ধি কুসুম ফুলে।
যথাৰ্থ নিস্বাৰ্থ ধৰমী জীৱন
বিশ্বপ্ৰেম ভৰপূৰ,
বিশ্বৰ সকলো ভাই-ভনী তাৰ
সুখৰ নপৰে ওৰ।

**শব্দাৰ্থ ঃ**

| | | |
|---|---|---|
| দিনকণা | ঃ | দিনতেই নেদেখা; দেখিলেও মন নকৰা। |
| সামৰথ | ঃ | সামৰ্থ্য, যোগ্যতা। |
| তৰী | ঃ | নাও, নৌকা। |
| পৰ | ঃ | অন্য, আপোন নোহোৱা বা নিলগীয়া। |
| ওৰ | ঃ | গুৰি; কোনো বিষয়ৰ মূল কথা। |
| হিত | ঃ | কল্যান, মংগল, গৰ্ভ। |
| য'ত | ঃ | যিমান। |
| পৰম-পিতা | ঃ | ভগৱান, ঈশ্বৰ। |
| গাই গোটা পেটে ভঁৰাল | ঃ | নিজৰ কাৰণেহে ভবা, স্বাৰ্থপৰ। |

**কবি পৰিচয় ঃ**

**আনন্দ চন্দ্ৰ আগৰৱালাৰ ঃ** (১৮৭৪-১৯৩৯) জন্ম তেজপুৰত। তেওঁ পুলিচ বিভাগৰ ডাঙৰ বিষয়া আছিল। তেওঁ ছাত্ৰাৱস্থাৰপৰাই সাহিত্য-চৰ্চা কৰিছিল। আগৰৱালাই কেইবাটিও ইংৰাজী কবিতা অসমীয়ালৈ সুৱলাকৈ ভাঙনি কৰে। সেই কাৰণে তেওঁক ভাঙনি কোঁৱৰ আখ্যা দিয়া হৈছে। তেওঁৰ ৰচিত পুথি—'কোমল পাঠ', 'আদি পাঠ', 'জিলিকণি' আদি। 'সুখ' কবিতাটো 'জিলিকনি'ৰ পৰা অনা হৈছে।

**পাঠবোধ ঃ** সুখ হৈছে মূলতঃ মন বা শৰীৰত অনুভূত হোৱা তৃপ্তিকৰ অৱস্থা; মানসিক বা শাৰীৰিক সন্তুষ্টি। সুখ বিচাৰি মানুহ ব্যাকুল হ'লেও প্ৰকৃত সুখ পাবলৈ হ'লে মানুহে স্বাৰ্থ ত্যাগ কৰিব পাৰিব লাগিব, আনৰ কাৰণে খাটিব লাগিব বা আনৰ দুখত দুখী হ'ব পাৰিব লাগিব। সকলোকে আপোন কৰি ল'ব পৰা গুণেও মানুহক সুখী কৰে। নিস্বাৰ্থ মানুহবোৰ সুখী হয়। যিয়ে নিস্বাৰ্থ মনোভাৱেৰে এক সুন্দৰ জীৱন যাপন কৰে, সকলোৰে মাজত বিশ্বপ্ৰেমৰ বাণী বিলাই আদৰ্শ জীৱনৰ গৰাকী হয় — তেওঁৰ বাবে সুখৰ ওৰ নপৰে বুলিও কবিয়ে কৈছে।

**প্ৰশ্নাৱলী**

ভাব-বিষয়ক ঃ

১। অতি চমু উত্তৰ দিয়া ঃ

(ক) মানুহৰ সুখ-দুখৰ আচল কথা কি?

(খ) কেনেকুৱা ধৰণৰ ভাবে মানুহক তললৈ বুৰায় বুলি কবিয়ে কৈছে?

(গ) নিস্বাৰ্থৰ বাট কেনেকুৱা?

(ঘ) কবি আনন্দ চন্দ্ৰ আগৰৱালাক কিয় 'ভাঙনি কোঁৱৰ' বুলি কোৱা হয়?

(ঙ) কাক আপোন কৰিব পাৰিলে সংসাৰত দুখ নাই বুলি কবিয়ে ব্যক্ত কৰিছে?

(চ) কবিৰ মতে প্ৰকৃত সুখ কেনেকৈ পাব পাৰি?

২। কবিতাটোৰ মূল কথাখিনি নিজৰ ভাষাত লিখা।

৩। ব্যাখ্যা কৰা ঃ

(ক) অকল নিজৰ নিমিত্তে নহয়
আমাৰ জীৱন ভাই,
পৰৰ কাৰণে খাটিব পাৰিলে
সংসাৰ সুখৰ ঠাই।

(খ) গাই-গোটা পেটে ভঁৰাল নহবা
লোকৰ মুখলৈ চোৱা,
মানুহৰ সেৱা মানুহৰ পূজা
পবিত্ৰ ব্ৰত ল'বা।

(গ) স্বাৰ্থৰ বাটত দুখৰ কাঁইট
খোজেপতি বিন্ধে হলে,
নিস্বাৰ্থৰ বাট সেন্দুৰীয়া আলি
সুগন্ধি কুসুম ফুলে।

<u>ভাষা-বিষয়ক</u> ঃ

১। উদাহৰণটো চাই বাকীকেইটা কৰা ঃ

উদাহৰণ ঃ আপোন — পৰ
দুখ —
স্বাৰ্থ —
অভাব —
সন্তোষ —
হাঁহি —

১। উদাহৰণটো চাই বাকীকেইটা কৰা ঃ

উদাহৰণ ঃ সামৰথ — সামৰ্থ্য
ধৰম —
কৰম —
বিৰিখ —
যতন —
মুকুতি —

● ● ●